আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, JANUARY 13, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ১৯ Guwahati, Assam ।। মূল্যঃ এটকা



■ মাঘ বিহু বুলি গাঁৱৰ ঘৰলৈ ঢাপলি মেলি মাছ ধৰাৰ পৰম্পৰা ৰক্ষা কৰি শৈশৱ, কৈশোৰৰ সোণালী দিনক স্মৰণ কৃষি মন্ত্ৰী অতুল বৰাৰ

## বিশেষ ঘোষণা

■ মাঘ বিহু উপলক্ষে ১৪ আৰু ১৫ জানুৱাৰীত আমাৰ কাৰ্যালয় বন্ধ থাকিব। সেয়ে এই দুদিন কাকত প্ৰকাশ নাপাব। অৱশ্যে newsnextone.comত বাতৰি আগৰ দৰেই প্ৰকাশ পাই থাকিব।

## চৰকাৰী বাধাকো নেওচি মণিপুৰৰ পৰাই আৰম্ভ হ'ব ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা

হিংসা জৰ্জৰিত মণিপুৰৰ থৌবালৰ পৰা কাইলৈ পুৱা প্ৰায় ১২ বজাত ভাৰত জোড়ো ন্যায় যাত্ৰা আৰম্ভ কৰিব ৰাহুল গান্ধীয়ে৷ এই যাত্ৰাক নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছে মাইলৰ খুঁটি হিচাপে ব্যৱহাৰ কৰাৰ প্ৰয়াস কৰিছে৷

■ বিতং বাতৰি ৩নং পৃষ্ঠাত

## চৰকাৰে লৈয়েই আছে ধাৰ, মূল্যবৃদ্ধিৰো নাই পাৰাপাৰ

# তথাপিও ভোগালী!

## আত্মনিৰ্ভৰ অসম!

## চালানি মাছেৰে উৰুকা! বহিঃৰাজ্যৰ পৰা আমদানি ৩,৭০০ কুইণ্টল মাছ

## ছ'চিয়েল মিডিয়াত চৰ্চিত কিম্ভূত-কিমাকাৰ মেজি

ই-সংবাদ, ১৩ জানুৱাৰীঃ সমুখত আদৰৰ মাঘ বিহু তথা ভোগালী বিহু। ভোগ কৰিবলৈ সাজু হৈছে প্ৰতিগৰাকী কৃষিজীৱি চহা অসমীয়া। প্ৰতিটো অসমীয়াৰ পৰিয়ালত উখল-মাখল পৰিৱেশ। বছৰজোৰা অপেক্ষাৰ অন্তত ভোগৰ এসাজ খাবলৈ ঘৰে ঘৰে ব্যস্ততা বাঢ়িছে। খাদ্য-সামগ্ৰীৰ যা-যোগাৰ কৰাত ব্যস্ত অসমীয়া। ঠেঁটুৱৈ লগা জাৰত মেজিৰ জুইৰ উম লৈ হেঁপাহ পলুৱাই এসাজ খাবলৈ সাজু সকলো। ১৪ জানুৱাৰীৰ নিশা মাঘ বিহুৰ উৰুকা পালন কৰিব অসমীয়া জাতিয়ে।

■ বিতং বাতৰি ২নং পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা

# তথাপিও ভোগালী

পিছে ভোগ-প্ৰাচুৰ্য্যৰ মায়াময় উৰুকাৰ নিশা পাৰ কৰিবলৈ সা-সামগ্ৰীৰ যোগাৰ কৰিবলৈ গৈ বাৰে বাৰে উজুটি খাইছে সাধাৰণ ৰাইজে৷ বজাৰত সকলো সমগ্ৰীৰে জুই-ছাই দাম৷ সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি হ'লেও আদৰৰ ভোগালী বিহু পালন কৰিবই অসমীয়াই৷ দূৰ-দূৰণিত থাকি কাম কৰা অসমীয়াই ঘৰখনলৈ দৌৰ দিছে৷ বাহিৰত অধ্যয়নৰত ছাত্ৰী-ছাত্ৰী ঘৰখনলৈ আহিছে৷ নিজ ঘৰখনত ভোগৰ উৎসৱৰ অচিলাৰে ঘৰখনৰ সকলোৱে একত্ৰিত হ'ব৷ গাঁওখনৰ সকলোৰে সৈতে দেখা-সাক্ষাৎ হ'ব৷ মহামিলনৰ সমানে ভোগৰ উৎসৱত বলিয়া হ'ব সকলো৷ গাঁৱৰ পথাৰত দীৰ্ঘদিনৰ ব্যস্ততা৷ খেৰ, নৰা, খৰি অথবা শুকান কলপাতেৰে পথাৰত একোটাকৈ মেজি সাজিছে অসমীয়াই৷ এই মেজিৰ কাষতে অস্থায়ীকৈ নিৰ্মাণ কৰা হৈছে ভেলাঘৰ৷ উৰুকাৰ নিশা সকলোৱে ঘৰটোত খাদ্য-সামগ্ৰী জমা কৰিব৷ এফালে খৰিৰ জুইৰ উম ল'ব আনহাতে উৰুকাৰ নিশাৰ ভাত সাজ সাজু কৰিব৷ নিশা মাছে, মঙেহে ঘৰটোত বা নিজ ঘৰতে বিভিন্ন ব্যঞ্জনেৰে হেঁপাহৰ এসাঁজ খাব অসমীয়াই৷ পুৱাই দোমাহীৰ দিনটোত সকলোৱে গা-পা ধুই পথাৰত একত্ৰিত হৈ ধুপ-ধুনা জ্বলাই পথাৰত মেজি জ্বলাব৷ মেজিৰ জুইত সমাজখনৰ পৰা অসূয়া, অপয়া-অমংগল দূৰ হোৱাৰ কামনা কৰা প্ৰাৰ্থনা জনাব৷ সমানে প্ৰতিঘৰ লোকে নিজ নিজ বাৰীত থকা তামোল-নাৰিকলৰ গছ কোবাই খেৰ বান্ধিব৷ গাঁৱৰ মুখীয়ালৈ নামঘৰৰ চোতালত বহি বছৰৰ হিচাপ কৰিব৷ নামঘৰৰ চোতালতে আগৰ বছৰৰ সকলো পাহৰি নতুন দিনৰ সংকল্প ল'ব গঞাই৷ তাৰ পাছৰে পৰা গাঁওখনত সমন্বয়ৰ যাত্ৰা চলিব৷ ইঘৰৰ লোক সিঘৰলৈ যাব৷ কাঁহৰ বাতিত দৈ, চিৰা, গুৰ, সান্দহ, নাৰিকল পিঠা, পিঠা পনাৰে আপ্যায়ন কৰিব৷ কনিষ্ঠজনক আৰ্শীবাদ দিব জ্যেষ্ঠজনে৷ জ্যেষ্ঠজনক সেঁৱা কাঢ়িব কনিষ্ঠজনে৷ এয়াই অসমীয়াৰ হাজাৰ কোটিকলীয়া পৰম্পৰা৷ এয়াই হেঁপাহৰ ভোগলী বিহু৷ ভোগালী বিহু মানেই অসমীয়াৰ টানা আজিৰে পৰা প্ৰতিখন বজাৰত ভিৰ বাঢ়িছে৷ বস্তুৰ দামলৈ চাই বজাৰত সোমাই মানুহে ধোঁৱা-কোৱা দেখিছে৷ মধ্যবিত্ত, খাটিখোৱা মানুহৰ বাবে মাঘ বিহু কঙালী হৈ পৰিছে৷ মাছটোৰ ফালে চাই কিনিবলৈ সাহ কৰিব নোৱাৰা অৱস্থা৷ ১৫০০ টকাৰ তলত বজাৰত মাছ নাই বুলিবই পাৰি৷ ১৫০০ টকাৰ মাছটো কেনেকৈ কিনি খাব মধ্যবিত্তই৷ খাহিৰ মাংসৰ কথাই সুকীয়া৷ ৮০০ টকাৰ তলত পোৱা নাযায় খাহিৰ মাংস৷ তাতেই আকৌ অসমীয়াৰ মাঘ বিহুত টকা ঘটিছে বহিঃৰাজ্যৰ ব্যৱসায়ীয়ে৷ খবৰ মতে, মাঘ বিহু উপলক্ষে বহিঃৰাজ্যৰ পৰা ৩,৭০০কুইণ্টল মাছ আমদানি কৰা হৈছে৷ বহিঃৰাজ্যৰ মাছেৰে মাঘবিহু পালন কৰিবলগীয়া হোৱাটো জাতিটোৰ বাবেই এক বিড়ম্বনা৷ কোটি কোটি টকা ঋণ লৈ চৰকাৰ চলাইছে৷ জনগণৰ আয় তথা উপাৰ্জন বৃদ্ধি কৰিবলৈ মৎস্য পালনৰ পৰিৱেশো যেন গঢ় দিব পৰা নাই চৰকাৰখনে৷ বৃহৎ আকাৰত অসমত মৎস্যৰ উদপাদন নোহোৱাৰ ফলতে এতিয়াও বহিঃৰাজ্যৰ ওপৰত নিৰ্ভৰশীল হৈয়েই ৰৈছে অসমে৷ চৰকাৰখনে ঋণ লৈ হিতাধিকাৰীক কিস্তি দিয়াত ব্যস্ত হৈ থকাৰ বিপৰীতে নতুন প্ৰজন্মক স্বাৱলম্বী কৰিবলৈ হাতত লোৱা নাই কোনো বাস্তৱসন্মত আঁচনি৷ ফলত মাঘ বিহুৰ সময়তো সা-সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণত চূড়ান্তভাৱে ব্যৰ্থ হৈ পৰিছে চৰকাৰখন৷ তাৰ মাজতে হেঁপাহৰ ভোগালীক আদৰিবলৈ, উৰুকাৰ নিশা এসাজ খাবলৈ আজিৰে পৰা অসমৰ গাঁৱে-ভূঞে, চহৰে-নগৰে প্ৰতিটো অসমীয়া পৰিয়ালতে লাগিছে উথপথপ। ইফালে, মাঘ বিহুত চহৰ এৰি গাঁৱলৈ ঢাপলি মেলিছে অধিকাংশ লোকেই৷ নগৰৰ কৰ্মব্যস্ত জীৱন এৰি গাঁৱলৈ ঢাপলি মেলাত আজিৰে পৰাা গুৱাহাটী মহানগৰী খালী হৈ পৰিছে৷ আন উৎসৱৰ দৰে গুৱাহাটীত ভিৰ নাই৷ শ্বপিংমলত নাই মানুহ৷ কিয়নো ভোগালী বুলিলেই অসমীয়াই শুনে আপোন গাঁওখনৰ চেনেহৰ হাতবাউলি।



গাঁৱৰ চহা লোকে আজিও এনেদৰেই খেতি পথাৰত চলাই ভোগালী বিহুৰ প্ৰস্তুতি

# হিংসা জৰ্জৰিত থৌবালৰ পৰা আৰম্ভ হ'ব কংগ্ৰেছৰ ন্যায় যাত্ৰা

## ■ দিনৰ ১১ বজাত মণিপুৰত ভৰি থব ৰাহুল গান্ধীয়ে
## ■ ব্যক্তিগত পথাৰত শুভাৰম্ভ অনুষ্ঠান






**ই-সংবাদ, ১৩ জানুৱাৰীঃ** লোকসভা নিৰ্বাচনৰ প্ৰচাৰ আৰম্ভ কৰি কাইলৈ উত্তৰ-পূৰ্বাঞ্চলত ৰাহুল গান্ধীয়ে ৰণশিঙা বজাব। হিংসা জৰ্জৰিত মণিপুৰৰ থৌবালৰ পৰা কাইলৈ পুৱা প্ৰায় ১২ বজাত ভাৰত জোড়ো ন্যায় যাত্ৰা আৰম্ভ কৰিব ৰাহুল গান্ধীয়ে। এই যাত্ৰাক সাধাৰণ নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছে মাইলৰ খুঁটি হিচাপে ব্যৱহাৰ কৰাৰ প্ৰয়াস কৰিছে। অযোধ্যাৰ ৰাম মন্দিৰক লৈ বিজেপিয়ে বিশাল আয়োজন কৰাৰ সময়তে দেশৰ আন এটা প্ৰান্তৰ হিংসা জৰ্জৰিত এলেকাৰ পৰা ৰাহুল গান্ধীয়ে কংগ্ৰেছক শক্তিশালী কৰিবলৈ বাছ যাত্ৰা কৰিব। এই যাত্ৰাৰ দ্বাৰা কংগ্ৰেছে বিজেপিক প্ৰত্যাহ্বান জনাবলৈ সকলো প্ৰকাৰে জোৰ দিব। যদিও এই যাত্ৰাক কংগ্ৰেছে ৰাজনৈতিক যাত্ৰা নহয় বুলি কৈ আহিছে, তথাপিও এই যাত্ৰাক নিৰ্বাচনী প্ৰচাৰ ৰূপে গণ্য কৰিছে ৰাজনৈতিক বিশ্লেষকসকলে। এই যাত্ৰাক মধ্যমণি ৰূপে ব্যৱহাৰ কৰি প্ৰচাৰ চলাই যাব কংগ্ৰেছে। বিজেপি নেতৃত্বাধীন মণিপুৰ চৰকাৰৰ বাধা দিয়াৰ প্ৰয়াস কৰাৰ পাছতো এই যাত্ৰা আৰম্ভ কৰিবলৈ ৰাহুল গান্ধীয়ে ১৪ জানুৱাৰীৰ পুৱা ১১ বজাত মণিপুৰৰ ইম্ফলত উপস্থিত হ'ব। ৰাহুল গান্ধীৰ বহু চৰ্চিত ভাৰত জোড়ো ন্যায় যাত্ৰা মণিপুৰৰ থৌবাল জিলাৰ পৰা আৰম্ভ হ'ব। আজি ইম্ফলত এক সংবাদমেল সম্বোধন কৰি এই কথা উল্লেখ কৰিছে জ্যেষ্ঠ কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে। ৰাহুল গান্ধী কাইলৈ পুৱা ১১ বজাত ইম্ফলত উপস্থিত হ'ব। ১১ বজাৰ পাছত খোংজম যুদ্ধ স্মাৰকলৈ যাব। জয়ৰাম ৰমেশে কয় যে ১১ দিনত ৰাহুল গান্ধীয়ে উত্তৰ-পূবৰ পাঁচখন ৰাজ্যত যাত্ৰা কৰিব। প্ৰায় ৬৬ দিন ৬,২০০ কিলোমিটাৰ যাত্ৰা কৰি মুম্বাইত উপস্থিত হ'ব। মণিপুৰ, নাগালেণ্ড, অসম, অৰুণাচল প্ৰদেশ, মেঘালয়লৈ যাত্ৰা নিয়া হ'ব। তাৰ পিছত পশ্চিমবংগত প্ৰৱেশ কৰিব। যোৱা দহ বছৰত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰে কৰা অন্যায়ৰ বিৰুদ্ধে যুঁজিবলৈ ভাৰত জোড়ো ন্যায় যাত্ৰা কৰা হৈছে। ৰমেশে আৰু কয় যে মূল্যবৃদ্ধি, নিবনুৱা সমস্যা, মহিলা-কৃষকক কৰা অন্যায়ৰ বিষয়সমূহ গান্ধীয়ে উত্থাপন কৰিব। অমৃতকালৰ সপোন দেখুৱাই দহ বছৰ অন্যায় কৰিলে মোদীয়ে। দহ বছৰত, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত অন্যায় হৈছে। জনগণক অন্যায়সমূহ সোঁৱৰাই দিবলৈ যাত্ৰা উলিওৱা হৈছে। যাত্ৰাৰ সময়ত ৰাহুল গান্ধীয়ে ৰাজহুৱা সভা অনুষ্ঠিত কৰিব আৰু বিভিন্ন সামাজিক-ৰাজনৈতিক সংগঠনৰ নেতৃত্বক সাক্ষাৎ কৰিব। উল্লেখ্য যে, মণিপুৰৰ ৰাজধানী ইম্ফলৰ পৰিৱৰ্তে এই যাত্ৰা থৌবাল জিলাৰ পৰা আৰম্ভ কৰা হৈছে। ব্যক্তিগত খেলপথাৰত যাত্ৰাৰ ফ্লেগ অফ কৰা হ'ব। মণিপুৰ কংগ্ৰেছৰ সভাপতি কেইশ্যাম মেঘচন্দ্ৰই ইম্ফলৰ পৰা যাত্ৰা আৰম্ভ কৰাৰ অনুমতি বিচৰা হৈছিল যদিও ৰাজ্য চৰকাৰে অনুমতি নিদিলে বুলি কয়। এই যাত্ৰা ১৮ জানুৱাৰীত অসমত প্ৰৱেশ কৰিব। ১৮-২৫ জানুৱাৰীলৈ অসমত থাকিব ৰাহুল গান্ধীৰ যাত্ৰা। এই ভাৰত জোড়ো ন্যায় যাত্ৰাই অসমৰ ১৭ খন জিলাক সংযোগ কৰিব বুলি জানিবলৈ দিয়ে অসমৰ প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ উপাধ্যক্ষ বেদব্ৰত বৰাই।

# লোকসভা নিৰ্বাচনৰ পূৰ্বে দুই মুখ্যমন্ত্ৰীৰ ঠিকনা হ’ব পাৰে কাৰাগাৰ!

## কেজৰিৱাল-চোৰেনৰ পিছ এৰা নাই ইডি-এ



### কেজৰিৱালক এতিয়ালৈ ৪ বাৰ আৰু হেমন্ত ছোৰেনলৈ ৮ বাৰ চমন প্ৰেৰণ ইডিৰ

**নতুন দিল্লী, ১৩ জানুৱাৰীঃ** দেশৰ দুই মুখ্যমন্ত্ৰীৰ বাবে এতিয়া মূৰৰ কামোৰণি হৈ পৰিছে ইডি৷ ইডিয়ে বাৰে বাৰে জাননী প্ৰদান কৰি অহাত দুই মুখ্যমন্ত্ৰীক গ্ৰেপ্তাৰৰ আশংকা কৰা হৈছে৷ দেশৰ বিৰোধী দল আৰু বিৰোধী দলৰ চৰকাৰক ইডি, চিবিআইৰ দ্বাৰা হাৰাশাস্তি কৰাৰ অভিযোগৰ মাজতে দুই ৰাজ্য ঝাৰখাণ্ড আৰু দিল্লীৰ মুখ্যমন্ত্ৰীক বাৰে বাৰে ইডি-এ জাননী প্ৰদান কৰি আহিছে৷ বিৰোধীক নৰেন্দ্ৰ মোদী চৰকাৰে হাৰাশাস্তি কৰি অহাৰ অভিযোগৰ মাজতে ১৬-২০ জানুৱাৰীৰ ভিতৰত ঝাৰখাণ্ডৰ মুখ্যমন্ত্ৰী আৰু ১৮ জানুৱাৰীত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ইডিৰ সন্মুখত হাজিৰ হ’বলৈ জাননী প্ৰেৰণ কৰা হৈছে৷ অ-বিজেপি চৰকাৰ থকা দুয়োখন ৰাজ্যৰ দুয়ো মুখ্যমন্ত্ৰীক ৮বাৰ আৰু ৪বাৰ জাননী প্ৰেৰণ কৰিছে৷ হেমন্ত চোৰেনক ৮বাৰ আৰু অৰবিন্দ কেজৰিৱালক ৪বাৰ জাননী প্ৰেৰণ কৰা হৈছে৷ হেমন্ত চোৰেনক ভূমি কেলেংকাৰী আৰু অৰবিন্দ কেজৰিৱালক সুৰা নীতি কেলেংকাৰীক লৈ ইডিৰ তৰফৰ পৰা জাননী দি থকা হৈছে যদিও আজিলৈ ইডিৰ কাৰ্যালয়ত উপস্থিত হোৱা নাই৷ প্ৰৱৰ্তন সঞ্চালকালয়ে আজি পুনৰ এবাৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনক ভূমি কেলেংকাৰীৰ সৈতে জড়িত ধন ৰপ্তানিৰ গোচৰ সন্দৰ্ভত মাতি পঠিয়াই। ইডিয়ে হেমন্ত চোৰেনলৈ আন এখন পত্ৰ প্ৰেৰণ কৰিছে আৰু উপস্থিত হ’বলৈ সময়সীমা বান্ধি দিছে। চমন দিয়াৰ স্বত্বেও কিয় উপস্থিত হোৱা নাই বুলি প্ৰশ্ন কৰিছে৷ ইডিয়ে এখন পত্ৰ জাৰি কৰিছে যে হেমন্ত চোৰেনক ১৬-২০ জানুৱাৰীৰ ভিতৰত সংস্থাটোৰ কাৰ্যালয়ত উপস্থিত হ’বলৈ নিৰ্দেশ দিছে৷ ইডি-এ বক্তব্য লিপিবদ্ধ কৰিব বুলি উল্লেখ কৰিছে। সামগ্ৰিকভাৱে, ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীক ইডিয়ে অষ্টমবাৰৰ বাবে মানি লণ্ডাৰিং গোচৰত বক্তব্য লিপিবদ্ধ কৰিবলৈ মাতি পঠিয়াই। ইডিয়ে জাৰি কৰা সপ্তম চমন দিছিল যদিও হেমন্ত চোৰেনে ইডিৰ কাৰ্যালয়লৈ যোৱা নাছিল। ইডি-এ সপ্তম চমন দিছিল ৩১ ডিচেম্বৰত। সংস্থাটোৱে প্ৰথম চম দিছিল ২০২৩ চনৰ ১৪ আগষ্টত। চোৰেনে প্ৰথমে উচ্চতম ন্যায়ালয়ত আৰু তাৰ পিছত ঝাৰখণ্ড উচ্চ ন্যায়ালয়ত ইডিৰ জাননীৰ নিষেধাজ্ঞা বিচাৰি আবেদন দাখিল কৰিছিল। অৱশ্যে, দুয়োখন আদালতে চোৰেনৰ আবেদন খাৰিজ কৰিছে। আনহাতে, প্ৰৱৰ্তন সঞ্চালকালয়ে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ২০২১-২২ বৰ্ষৰ দিল্লী আবকাৰী নীতিৰ অনিয়ম সম্পৰ্কীয় ধন ৰপ্তানিৰ গোচৰত সোধা-পোছাৰ বাবে ১৮ জানুৱাৰীত হাজিৰ হ'বলৈ কৈ নতুন চমন জাৰি কৰিছে৷ কেজৰিৱালে যোৱাৰ সপ্তাহত ইডিৰ তৃতীয় চমনক উপেক্ষা কৰিছিল৷ চতুৰ্থবাৰ চমন জাৰি কৰাৰ পাছতে আপ নেতা তথা দিল্লীৰ মন্ত্ৰী গোপাল ৰায়ে সংবাদমেল সম্বোধন কৰি দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক লোকসভা নিৰ্বাচনত প্ৰচাৰ চলোৱাত বাধা দিবলৈ বিজেপিয়ে ইডিৰ অপব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰে৷ গোপাল ৰায়ে কয় যে তদন্ত সংস্থাটোৱে শনিবাৰে আপৰ মুৰব্বীলৈ চতুৰ্থ খন চমন প্ৰেৰণ কৰিছে। ১৮ জানুৱাৰীত গোৱা ভ্ৰমণ কৰিব কেজৰিৱালে। ইডিয়ে বিজেপিৰ ৰাজনৈতিক অস্ত্ৰ হোৱাৰ পৰা বিৰত থকা উচিত বুলি কয় ৰায়ে৷ কেজৰিৱাল ইডিৰ সন্মুখত উপস্থিত হ'ব নেকি বুলি সোধাত ৰায়ে কয় যে আইনী উপদেষ্টাৰ সৈতে পৰামৰ্শ কৰি থকা হৈছে আৰু সেই অনুসৰি সিদ্ধান্ত লোৱা হ’ব। প্ৰৱৰ্তন সঞ্চালকালয়ে দিল্লীৰ মুখ্যমন্ত্ৰীক দিল্লীৰ আবকাৰী নীতি-সম্পৰ্কিত ধন ৰপ্তানিৰ গোচৰত সোধা-পোছাৰ বাবে চতুৰ্থবাৰৰ বাবে চমন জাৰি কৰিছে। কেজৰিৱাল আম আদমী পাৰ্টিৰ (আপ) ৰাষ্ট্ৰীয় মুখ্য সমন্বয়ক আৰু দিল্লীৰ মুখ্যমন্ত্ৰী৷

## পিঠিত থকা সুন্দৰ টেটুৰ জৰিয়তে চিনাক্ত

# হাৰিয়ানাৰ খাৱৈৰ পৰা উদ্ধাৰ সন্ধানহীন মডেল দিব্যা পহুজাৰ অৰ্ধগলিত মৃতদেহ



**নতুন দিল্লী, ১৩ জানুৱাৰীঃ** অৱশেষত উদ্ধাৰ হ'ল মডেল দিব্যা পহুজাৰ মৃতদেহ। বিগত কেইবাদিনো ধৰি আৰক্ষীয়ে চলাই থকা অভিযানৰ অন্তত হাৰিয়ানৰ ভখৰা খালত উদ্ধাৰ হয় মডেলগৰাকীৰ গলিত মৃতদেহ। উল্লেখ্য যে, ১ জানুৱাৰীত গুৰুগ্ৰামৰ এখন হোটেলত গুলীয়াই হত্যা কৰা হৈছিল দিব্যাক। তদন্তৰ সময়ত এজন অভিযুক্তই মৃতদেহটো গুৰুগ্ৰামৰ পৰা ২৭০ কিলোমিটাৰ নিলগৰ পাটিয়ালাৰ ভখৰা খালত পেলাই দিয়াৰ কথা স্বীকাৰ কৰিছিল। পৰৱৰ্তী সময়ত পানীৰ সোঁতত মৃতদেহটো পঞ্জাৱৰ পৰা হাৰিয়ানালৈ উটি আহিছিল আৰু অৱশেষত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰে। হাৰায়ানাৰ টোহনাত গুৰুগ্ৰাম আৰক্ষীৰ এটা দলে পচি যোৱা মৃতদেহটো উদ্ধাৰ কৰি মৃতদেহৰ পিঠিত থকা টেটুৰ জৰিয়তে মৃতদেহটো দিব্যা পহুজাৰ বুলি চিনাক্ত কৰে। ইফালে মৃতদেহটো সম্পৰ্কে ভুক্তভোগীৰ পৰিয়ালক অৱগত কৰি মৃতদেহটো মৰণোত্তৰ পৰীক্ষা আৰু ডি এন এ টেষ্টৰ বাবে প্ৰেৰণ কৰা হৈছে বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। অন্যহাতে দিব্যাৰ হত্যাৰ সৈতে জড়িত থকাৰ অভিযোগত কলকাতা বিমানবন্দৰৰ পৰা এজন অভিযুক্তকো গ্ৰেপ্তাৰ কৰা হৈছে। উল্লেখ্য যে, যোৱা ১ জানুৱাৰীত গুৰুগ্ৰামৰ এখন হোটেলত দিব্যা পহুজাক হত্যা কৰা হৈছিল। পিছত হোটেলৰ চিচিটিভি কেমেৰাত মৃতদেহটো হোটেলৰ মালিক অভিজিত সিঙে চোঁচৰাই নি থকা প্ৰত্যক্ষ হৈছিল। আৰক্ষীয়ে জনোৱা মতে, ২৭ বৰ্ষীয় দিব্যা পহুজাই তেওঁৰ ওচৰত থকা অভিজিত সিঙৰ অশ্লীল ভিডিঅ'ৰ জৰিয়তে তেওঁক ব্লেকমেইল কৰি আহিছিল। অভিজিতে বাৰে বাৰে দিব্যাক অশ্লীল ভিডিঅ'সমূহ ডিলিট কৰিবলৈ কৈছিল যদিও দিব্যাই সেয়া কৰিবলৈ অস্বীকাৰ কৰাত অভিজিত সিঙে আন দুজনৰ সহযোগত মডেলগৰাকীক হোটেললৈ মাতি নিয়ে আৰু তাৰ পিছত হোটেলৰ কোঠাত মূৰত গুলীয়াই হত্যা কৰে। অৱশ্যে দিব্যাৰ পৰিয়ালে এই অভিযোগ তীব্ৰভাৱে অস্বীকাৰ কৰিছে। ইফালে মডেলগৰাকীক হত্যা কৰিবলৈ ব্যৱহাৰ কৰা পিষ্টলটো অভিজিত সিঙক যোগান ধৰা প্ৰৱেশ নামৰ আন এজন অভিযুক্তকো গ্ৰেপ্তাৰ কৰিছে গুৰুগ্ৰাম আৰক্ষীয়ে। আৰক্ষীয়ে তেওঁৰ হাতৰ পৰা উদ্ধাৰ কৰে অবৈধ অস্ত্ৰ-শস্ত্ৰ। প্ৰণিধানযোগ্য যে, ২০১৬ চনত তেতিয়াৰ প্ৰেমিক তথা গুৰুগ্ৰামৰ গেংষ্টাৰ সন্দীপ গাডোলীৰ ভুৱা এনকাউণ্টাৰত জড়িত থকাৰ অভিযোগত কাৰাবাস খাটিবলগীয়া হৈছিল মডেল দিব্যা পহুজাই। যোৱা বছৰৰ জুন মাহত তেওঁ জামিন লাভ কৰি মুকলি আকাশৰ তললৈ ওলাই আহিছিল।

# ভাৰ্চুৱেল বৈঠকত মল্লিকাৰ্জুন খাৰ্গেৰ নাম চূড়ান্ত

# এনডিএৰ মন্দিৰ ৰাজনীতিৰ বিপৰীতে 'ইণ্ডিয়া'ৰ দলিত ৰাজনীতি

**নতুন দিল্লী, ১৩ জানুৱাৰীঃ** বিজেপিৰ মন্দিৰ ৰাজনীতিক প্ৰত্যাহ্বান জনাবলৈ কংগ্ৰেছ আৰু দেশৰ বিৰোধীসকলে দলিত ৰাজনীতি আৰম্ভ কৰিব। দেশত মন্দিৰ ৰাজনীতিয়ে চৰম সীমা অতিক্ৰম কৰাৰ সময়তে কংগ্ৰেছ আৰু বিভিন্ন দলৰ মিত্ৰজোঁট 'ইণ্ডিয়া'ই দলিত-অ'বিচি কাৰ্ড খেলিব। দলিত নেতাক ইণ্ডিয়া মিত্ৰজোঁটৰ নেতৃত্ব দি দেশৰ ৪১ শতাংশ দলিত, অ'বিচি ভোটাৰক আকৰ্ষিত কৰাৰ প্ৰয়াস কৰিছে। ইণ্ডিয়া মিত্ৰজোঁটে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জন খাৰ্গেক দলিত চেহেৰা হিচাপে উৎক্ষেপ কৰিবলৈ বিচাৰ কৰিছে। ইতিমধ্যে ইণ্ডিয়া মিত্ৰজোঁটৰ মুখ্য অংশদাৰী দল টিএমচি, আপ, উদ্ধৱপন্থী, শিৱসেনা, ডিএমকে, জেডিইউ আৰজেডি, এছপি আজি দলে সমৰ্থন কৰা বুলি জানিব পৰা গৈছে। এটা সূত্ৰই দাবী কৰা মতে, লোকসভা নিৰ্বাচনৰ পূৰ্বে গঠন হোৱা বিৰোধী মিত্ৰজোঁট 'ইণ্ডিয়া'ৰ অধ্যক্ষৰ নাম শীঘ্ৰে ঘোষণা কৰা হ'ব। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ নাম অধ্যক্ষ হিচাপে চূড়ান্ত কৰা হৈছে। অৱশ্যে, খাৰ্গেৰ নাম এতিয়াও আনুষ্ঠানিকভাৱে ঘোষণা কৰা হোৱা নাই। যোৱা কেইবাদিনো ধৰি মিত্ৰজোঁটৰ অধ্যক্ষক লৈ ব্যাপক চৰ্চা অব্যাহত আছিল। বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ পৰা লালু প্ৰসাদ যাদৱৰ নাম অধ্যক্ষ পদৰ বাবে উচ্চাৰণ হৈছিল। জনতা দল ইউনাইটেডে তেওঁলোকৰ দলৰ মুৰব্বী তথা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ নাম অধ্যক্ষ হিচাপে প্ৰক্ষেপ কৰা বুলি খবৰ প্ৰকাশ পাইছিল। কিন্তু তৃণমূল কংগ্ৰেছ পক্ষপাতি নাছিল। মমতা বেনাৰ্জীয়ে মিত্ৰজোঁটৰ অন্তিম বৈঠকত প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থীৰ বাবে কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ নাম উত্থাপন কৰিছিল। বিৰোধী মিত্ৰজোঁট ইণ্ডিয়ান নেচনেল ডেভেলপমেণ্ট ইনক্লুচিভ এলায়েন্সৰ (ইণ্ডিয়া) অংশীদাৰসকলৰ গুৰুত্বপূৰ্ণ নেতাসকলে আজি এক ভাৰ্চুৱেল বৈঠক অনুষ্ঠিত কৰি মিত্ৰতা শক্তিশালী কৰাৰ উপায়, আসন ভাগ-বতৰাৰ ওপৰত ৰণনীতি প্ৰস্তুত কৰে। মিত্ৰজোঁটৰ বাবে আহ্বায়ক নিয়োগ কৰাৰ বিষয়ে আলোচনা কৰে। জেডিইউ নেতা আৰু বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে মিত্ৰজোঁটৰ আহ্বায়কৰ পদ অস্বীকাৰ কৰিছে। মিত্ৰজোঁট এতিয়াও আসন ভাগ-বতৰাক লৈ পুংখানুপুংখ ভাবে চোৱা-চিতা কৰি আছে। মিত্ৰজোঁটৰ আটাইতকৈ বৃহৎ দল হৈছে কংগ্ৰেছ। শুকুৰবাৰে কংগ্ৰেছ আৰু আম আদমী পাৰ্টিৰ আসন ভাগ বতৰাৰ বিষয়ে আলোচনা কৰিবলৈ এখন বৈঠক অনুষ্ঠিত হৈছিল। আজিও মিত্ৰজোঁটৰ বহু দলৰ নেতাই ভাৰ্চুৱেল বৈঠকত অংশগ্ৰহণ কৰে আৰু এই আলোচনা সফল বুলি দাবী কৰা হৈছে।

# সম্প্ৰীতি! ৰফিক-নেকিবহঁতে কৰিলে অভাৱী বিকিৰ মাতৃৰ সৎকাৰ

**ই-সংবাদ, ১৩ জানুৱাৰীঃ** ৰাজ্যখনৰ ৰাজনৈতিক দলৰ নেতাৰ মুখত প্ৰতিটো মুহূৰ্ততে সমাজক ভাগ ভাগ কৰাৰ উদ্দেশ্যে ঘৃণাৰে ভৰা মন্তব্য দিয়া পৰিলক্ষিত হয়। ধৰ্ম, বৰ্ণক লৈ নেতাই মন্তব্য দি সমাজ বিভাজন কৰিব খুজিলেও সাধাৰণ লোকে যে সেই কথাক গুৰুত্ব নিদিয়ে সেই কথা আকৌ এবাৰ প্ৰমাণ হ'ল। তিনিচুকীয়া জিলাত আৰ্থিক অনাটনৰ বাবে মাতৃৰ মৃতদেহ সৎকাৰ কৰিবলৈ হাহাকাৰ কৰা এটা পৰিয়ালক সহায় কৰিবলৈ ওলাই আহিল হিন্দু-মুছলমান। সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ নেতৃত্বত একাংশ যুৱকে মাতৃগৰাকীৰ মৃতদেহ সৎকাৰ কৰে। তিনিচুকীয়া জিলাৰ ডুমডুমাৰ ডুমডুমা পথাৰ গাঁৱৰ বিকি ভদ্ৰা নামৰ লোকজনৰ মাতৃৰ ইন্তেকাল হয়। ডাল দৰিদ্ৰ বিকি ভদ্ৰাৰ মাতৃৰ সৎকাৰ সামগ্ৰীখিনি যোগাৰ কৰিবলৈ হাতত নাছিল ধন। এই খবৰ লাভ কৰাৰ পাছতে ডুমডুমাৰ ঢেকিয়ালপট্টী আৰু অফিচ লাইনৰ একাংশ যুৱকে ধন একত্ৰিত কৰি বিকি ভদ্ৰাৰ মাতৃৰ মৃতদেহ সৎকাৰ কৰাৰ ব্যৱস্থা কৰে। সদৌ অসম-গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক মুন আলীয়ে কয় যে পৰিয়ালটোক আৰ্থিক দুৰ্বলতাই দেখা দিছে। সৎকাৰৰ যিখিনি কাম সেই খিনি কৰিব পৰা নাছিল। ডুমডুমা পথাৰ গাঁৱৰ ঢেকিয়ালপট্টী আৰু অফিচ লাইনৰ একাংশ যুৱ প্ৰজন্মৰ সহযোগত সৎকাৰৰ ব্যৱস্থা কৰা হয়। ৰফিক ৰহমান, ৰাম ভকত শ্বাহ, কৃষ্ণ হাজৰিকা, গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ উপ-সভাপতি নেকিব হক শইকীয়াই সহায় কৰে। শেষকৃত্যথলীৰ পৰাই মুন আলীয়ে কয় যে আমি অসমবাসীক ক'ব খোজো যে এইখনেই আমাৰ শংকৰ-আজানৰ অসমভূমি। সকলোৱে মিলা-প্ৰীতিৰে থাকক। এনেকৈয়ে আগবঢ়াই লৈ যাব লাগিব অসমখনক। শান্তি-সম্প্ৰীতি আমাৰ সকলোৰে মাজত অটুট থাকিব লাগিব বুলিও কয় মুন আলীয়ে।

# শীতৰ প্ৰকোপত গোৱালপাৰাৰ পঞ্চৰত্নত উচ্ছেদিত বয়াত আলীৰ মৃত্যু

**ই-সংবাদ, গোৱালপাৰা, ১৩ জানুৱাৰীঃ** ২০১৬ চনত বিজেপিয়ে অসমত চৰকাৰ গঠন কৰাৰ পাছৰে পৰা ৰাজ্যত চৌদিশে উচ্ছেদ অভিযান চলাই থকা হৈছে৷ বিজেপিয়ে উচ্ছেদ অভিযানক চৰকাৰৰ সফলতা আৰু ৰাজনৈতিক বিষয় ৰূপে উত্থাপন কৰি আহিছে৷ এই অভিযানৰ সৈতে সন্দেহজনক নাগৰিক শব্দটো ব্যৱহাৰ কৰি আহিছে৷ কিন্তু ৰাজ্য চৰকাৰে যিসমূহ ঠাইত উচ্ছেদ অভিযান চলাইছে সেই ঠাইৰ কোনো লোকক বিদেশী নাগৰিক বুলি প্ৰমাণ কৰিব পৰা নাই৷ ৰাজ্য চৰকাৰৰ বনভূমি মুক্ত কৰাৰ এই অভিযানক অসমৰ প্ৰায় সংখ্যক দল-সংগঠনে সমৰ্থন জনাইছে৷ তাৰ সুযোগ লৈ চৰকাৰে বলডুজাৰ লগাই মানুহৰ ঘৰ ভাঙি বাঃ বাঃ লৈ আহিছে৷ ৰাজ্য চৰকাৰে এনেবোৰ উচ্ছেদ অভিযানক ৰাজনৈতিক বিষয় হিচাপে উত্থাপন কৰি আহিছে৷ বিজেপিয়ে অসমত চৰকাৰ গঠন কৰাৰ পাছতে কাজিৰঙাত চলাইছিল বৃহৎ উচ্ছেদ অভিযান৷ সেই উচ্ছেদ অভিযান সফল হৈছিল৷ যদিও স্কুল, মছজিদ আদি ভাঙি দিয়া হৈছিল৷ তাৰ পাছতে বিজেপি চৰকাৰে দৰঙৰ গৰুখুঁটি, ওৰাং ৰাষ্ট্ৰীয় উদ্যান, বুঢ়াচাপৰি অভয়াৰণ্য, শোণিতপুৰ জিলাৰ বুঢ়া চাপৰি, বিশ্বনাথৰ উচ্ছেদ অভিযান পেটুলীবাৰী, ধিঙৰ ধূপগুৰি, ধিং, বটদ্ৰৱা, গুৱাহাটীৰ শিলসাঁকো, লখৰা আদি এলেকাত চৰকাৰে উচ্ছেদ অভিন চলাইছে৷ এই উচ্ছেদ অভিন খিলঞ্জীয়াৰ স্বাৰ্থত চলোৱা বুলি চৰকাৰে প্ৰচাৰ চলাই অসমৰ খিলঞ্জীয়া জনতাৰ সমৰ্থন লাভ কৰিছে৷ কিন্তু এই উচ্ছেদৰ ফলত বাৰে বাৰে মানৱ অধিকাৰ ভংগ কৰাৰো অভিযোগ উত্থাপন হৈ আহিছে৷ পুনৰ সংস্থাপন ব্যৱস্থা নকৰি চলোৱা উচ্ছেদ অভিযানক অন্যায় বুলি দোহাৰি আহিছে বিভিন্ন দল-সংগঠনে৷ উচ্ছেদৰ পাছত কন্যা-শিশু সন্তানসহ উচ্ছেদিতৰ দুৰ্গতিক লৈ চৰকাৰৰৰ সমালোচনাও হৈ আহিছে৷ কিন্তু এই সমালোচনাক চৰকাৰে কেতিয়াও ভ্ৰূক্ষেপ কৰা নাই৷ ইয়াৰে মাজতে ৰাজ্য চৰকাৰে এনেদৰে উচ্ছেদ অভিযান চলোৱা এগৰাকী লোকে প্ৰাণ হেৰুৱাইছে গোৱালপাৰা জিলাত৷ নৱ বৰ্ষৰ আৰম্ভণিতে গোৱালপাৰা প্ৰশাসনে চলাইছিল উচ্ছেদ অভিযান৷ এই উচ্ছেদ অভিযানত বহু পৰিয়াল গৃহহাৰা হয়৷ গৃহহাৰা পৰিয়ালসমূহে মুকলিতে বসবাস কৰিবলৈ বাধ্য হয়৷ ফলত ৫৫ বছৰীয়া এগৰাকী লোকে জাৰৰ প্ৰকোপৰ ফলত প্ৰাণ যায়৷ অস্থায়ী ভাবে বসবাস কৰা ৫৫ বছৰীয়া বয়াত আলী নাম লোকজনৰ মৃত্যু হয়৷ গোৱালপাৰাত পঞ্চৰত্ন এন.চিত ১০ জানুৱাৰীত প্ৰশাসনে চলাইছিল উচ্ছেদ অভিযান৷ উচ্ছেদ অভিযানত কেইবাটাও পৰিয়াল গৃহহাৰা হয়৷ গৃহহাৰা পৰিয়ালসমূহে ঠেঁটুৱৈ লগা জাৰত কাপোৰৰ অভাৱত সময় পাৰ কৰিছিল৷ জাৰৰ প্ৰকোপত বয়াত আলীৰ মৃত্যু হোৱাৰ খবৰে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে৷

# কোকৰাঝাৰত পথ দুৰ্ঘটনা, গুৰুতৰভাৱে আহত স্কুলীয়া শিশু

**ই-সংবাদ, কোকৰাঝাৰ, ১৩ জানুৱাৰীঃ** বিদ্যালয়ৰ পৰা ঘৰলৈ উভতাৰ পথত আজি এগৰাকী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী তীব্ৰবেগী গাড়ীৰ খুন্দাত গুৰুতৰভাৱে আহত হৈ বঙাইগাঁৱৰ এখন নাৰ্ছিংহোমত জীৱন মৃত্যুৰ সতে যুঁজি থকা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। দুৰ্ভগীয়া ছাত্ৰীগৰাকীক ৭১০ নং ডাৱ্লেগাঁও প্ৰাথমিক বিদ্যালয়ৰ দ্বিতীয় শ্ৰেণীৰ ছাত্ৰী তথা আমগুৰী শালবানী নিবাসী বাজুন হাসদা আৰু দাংগী মাৰ্ডীৰ কন্যা লক্ষ্মী হাসদা(৮)বুলি জানিব পৰা গৈছে। প্ৰাপ্ত বাতৰি অনুসৰি আজি বিদ্যালয় ছুটীৰ পিছত ঘৰলৈ যোৱাৰ উদ্দেশ্যৰে লক্ষ্মী হাসদাই ৰাস্তা পাৰ হ'বলৈ ধৰোতেই কোকৰাঝাৰৰ পৰা কাৰিগাঁও অভিমুখী তীব্ৰবেগী এএছ ১৬ ই ৫১৩৫ নম্বৰৰ মাৰুতী চুইফট গাড়ীখনে কণমানিজনীক প্ৰচণ্ড জোৰে খুন্দা মাৰে। ফলত দ্বিতীয় শ্ৰেণীৰ লক্ষ্মী হাসদা গুৰুতৰভাৱে আহত হয়। তীব্ৰবেগী গাড়ীৰ খুন্দাত লক্ষী হাসদাই মূৰত গুৰুতৰভাৱে আঘাত পোৱাৰ লগতে সোভৰিৰ হাড় ভাঙি বাহিৰলৈ ওলাই আহে। বিদ্যালয়ৰ প্ৰায় সন্মুখতে সংঘটিত হোৱা উক্ত দুৰ্ঘটনাৰ ফলত মুহুৰ্ততে হাহাকাৰ লাগে আৰু বিদ্যালয়ৰ শিক্ষয়িত্ৰীদ্বয়ে ততাতৈয়াকৈ কোকৰাঝাৰ আৰএনবি চিকিৎসালয়ত ভৰ্তি কৰায়। অৱস্থাৰ জটিলতাৰ প্ৰতি লক্ষ্য ৰাখি আৰএনবি চিকিৎসালয়ৰ পৰা কোকৰাঝাৰৰ এখন ব্যক্তিগতখণ্ডৰ নাৰ্ছিংহোমত ভৰ্তি কৰা হয় যদিও পিছত স্বাস্থ্যৰ অধিক অৱনতি ঘটাত বঙাইগাঁৱৰ এখন ব্যক্তিগতখণ্ডৰ হস্পিতালত ভৰ্তি কৰোৱা হয়। বৰ্তমান শিশুগৰাকী চিকিৎসালয়ত জীৱন -মৃত্যুৰ সতে যুঁজি হৈ আছে। উল্লেখ্য যে উক্ত স্থানত স্থানীয় ৰাইজে বহুদিনৰ পৰা গতিৰোধকৰ দাবী জনাই আহিছে যদিও প্ৰশাসনে গতিৰোধক নিদিয়াত উক্ত ঠাইত প্ৰায়ে দুৰ্ঘটনা সংঘটিত হৈ আহিছে।

# বৰপুখুৰী চাহ বাগিচাৰ ৰুমীয়ে দিল্লীত দেখুৱালে শক্তি



**ই-সংবাদ, বিশ্বনাথ চাৰিআলি, ১৩ জানুৱাৰীঃ** একাগ্ৰতা আৰু সাধনা থাকিলে কোনে শক্তিয়ে সফলতাত হেঙাৰ হ'ব নোৱাৰে৷ ইয়াকে প্ৰমাণ কৰিলে বিশ্বনাথ জিলাৰ বৰপুখুৰী চাহ বাগিচাৰ লিফাৰ পৰজা আৰু হেমন্তী পৰজাৰ একমাত্ৰ কন্যা ৰুমী পৰজাই৷ হাজাৰ বাধা আৰু দৰিদ্ৰতাক নেওচি সাফল্য আজুৰি আনিবলৈ সক্ষম হৈছে ৰুমী পৰজা৷ দিল্লীত কিক বক্সিং ফেডাৰেচন অব ইণ্ডিয়াই অনুষ্ঠিত কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ কিক বক্সিং চেম্পিয়নশ্বিপ-২০২৪ত অংশ গ্ৰহণ কৰি ৰুমীয়ে প্ৰথম স্থান দখল কৰি সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে৷ দুটাকৈ শাখাত অৱতীৰ্ণ ৰুমীয়ে মিউজিকেল ফৰামত ব্ৰঞ্জৰ পদক লাভ কৰে৷ উল্লেখ্য যে, আৰ্থিক দৈন্যতাৰ পাছতে জীৱনটোত কিবা এটা কৰাৰ ইচ্ছা পুহি ৰখা ৰুমীয়ে কঠোৰ পৰিশ্ৰম কৰি আহিছে৷ অতি মেহনতী ৰুমীয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন সমৰকলা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি কৃতিত্ব অৰ্জন কৰি আহিছে৷ শেহতীয়াকৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমৰকলাৰ চেম্পিয়নশ্বিপত সোণৰ পদক অৰ্জন কৰাৰ খবৰে আদিবাসী সমাজক উৎফুল্লিত কৰিছে৷ বিশ্বনাথবাসী, পৰজা সমাজ, গড় সমাজকে ধৰি বিভিন্ন জাতীয় দল-সংগঠনে ৰুমীক অভিনন্দন জনাইছে৷

# চিনাতলী বৰনামঘৰত শ্ৰৱণ সপ্তাহৰ প্ৰস্তুতি

**ই-সংবাদ, গোলাঘাট, ১৩ জানুৱাৰীঃ** ২১০ বছৰীয়া ঐতিহ্যমণ্ডিত সাতশ ঘৰীয়া চিনাতলী বৰনামঘৰ আধ্যাত্মিক অনুষ্ঠানে বিশেষ চৰ্চা লাভ কৰি আহিছে৷ গোলাঘাট জিলাৰ শেনছোৱা, হাৰিছোৱা আৰু বেতিয়নী পঞ্চায়তৰ এটা এটা প্ৰান্তৰ ৭০০ ঘৰ লোকৰ বসতি চিনাতলী গাঁৱৰ চিনাতলী বৰনামঘৰৰ শ্ৰীমদ্ভাগৱত অবিৰত পাঠে আধ্যাত্মিক পৰিৱেশৰ সূচনা কৰি আহিছে৷ এইবাৰো সদৌ চিনাতলীবাসী ৰাইজে ৪ (১৯ জানুৱাৰী) মাঘৰ পৰা ১২ মাঘলৈ শ্ৰীমদ্ভাগৱত অবিৰত পাঠ শ্ৰৱণ সপ্তাহৰ আয়োজন কৰিছে। ১৯ জানুৱাৰীত ভাগৱত পাঠেৰে অনুষ্ঠানৰ শুভাৰম্ভণি হ'ব৷ পুৱা ৮ বজাত ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পন, ভাগৱত প্ৰদক্ষিণ আৰু পাঠ, নাম প্ৰসংগৰ অন্তত দিনৰ ১১ বজাত ভাগৱত পাঠৰ শুভাৰম্ভ হ'ব। সন্ধিয়া ৫ বজাত বন্তি প্ৰজ্বলনৰ কাৰ্যসূচী ৰূপায়ন হ'ব। ২৫ জানুৱাৰীত পাঠৰ শেষত মূল আকৰ্ষণ হৈছে ভাগৱত সামৰণি অনুষ্ঠান। দিনৰ ১১ বজাৰ পৰা ভাগৱতৰ অমৃত ৰস ব্যাখ্যা অনুষ্ঠানৰ আৰোচক হিচাপে উপস্থিত থাকিব জগত বনিয়া। ২৬ জানুৱাৰীৰ সন্ধিয়া ৬ বজাত যুৱকসকলৰ দ্বাৰা




'নাৰদৰ ব্ৰহ্মত্ব লাভ-বেদৱতী উপাখ্যান' নামৰ মহাপুৰুষীয়া নাট মঞ্চস্থ কৰা হ'ব৷ উল্লেখ্য যে, ষাঠিটা বংশৰ ৭০০ ঘৰ মানুহে একেটা খেলতে চিনাতলী বৰ নামঘৰতে একে লগে উৎসৱ পাৰ্বণ পালন কৰি আহিছে। চিনাতলী বৰ নামঘৰত জেঠমাহৰ পূৰ্ণিমা তিথিত সৰ্ববৃহৎ বৰসবাহ উৎযাপন কৰি আহিছে। প্ৰায় ২০ কুইণ্টল গুৰ, ত্ৰিশ কুইণ্টল পিঠাগুৰিৰে গাঁৱৰ সত্তৰ জন দেউৰীয়ে দুদিনকৈ পকা মিঠৈ বন্ধা পৰম্পৰা থকা একমাত্ৰ নামঘৰ। ৰাস পূৰ্ণিমাত সাতশ ঘৰীয়া ৰাইজ মিলি স্থানীয় শিল্পীৰ জৰিয়তে ৰাস অনুষ্ঠিত কৰি আহিছে৷ ভদীয়া নাম প্ৰতিবছৰে অনুষ্ঠিত হয়। আনহাতে, চিনাতলী বৰনামঘৰৰ চৌহদত আটকধুনীয়া পুথিভঁড়াল আছে। সাঁচীপতীয়া পুথি সংৰক্ষণ কৰা হৈছে। সংস্কৃতি বিকাশৰ বাবে প্ৰেক্ষাগৃহ আছে। পৰ্যটকৰ আকৰ্ষণৰ বাবে আছে এটি কাছ প্ৰকল্প।

## ৰঞ্জি ট্ৰফি বিপদত অসম

**গুৱাহাটী, ১৩ জানুৱাৰীঃ** ইয়াৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ৰঞ্জি ট্ৰফিত এলিট গ্ৰুপ 'বি' মেছত অসমৰ বিৰুদ্ধে ৪১৯ ৰান কৰি স্থিতি সবল কৰিবলৈ সক্ষম হৈছে কেৰালাই। কালিৰ এক উইকেটত ১৪১ ৰানৰ পৰা খেলিবলৈ আৰম্ভ কৰি আলহী দলটোৱে ৪১৯ ৰান কৰি অল আউট হয়। মিডল অৰ্ডাৰ বেটাৰ শচীন বেবীয়ে সৰ্বাধিক ১৩১ ৰানৰ বৰঙণি যোগায়। তেওঁৰ লগতে ৰোহন কুন্নুম্মাল ৮৩, কৃষন প্ৰসাদ ৮০ আৰু ৰোহন প্ৰেমে ৫০ ৰানৰ অৰিহণা আগবঢ়ায়। ঘৰুৱা দলটোৰহৈ ৰাহুল সিং আৰু মোখতাৰ হুছেইনে তিনিটাকৈ উইকেট দখল কৰে। কেৰালাৰ ৪১৯ ৰানৰ প্ৰত্যুত্তৰত প্ৰথম ইনিংছ আৰম্ভ কৰি বিপদত পৰে অসমে। পাঁচ অভাৰ বেটিং কৰি দুই উইকেট হেৰুৱাই মাত্ৰ ১৪ ৰান সংগ্ৰহ কৰি বিপদত পৰিছে অসম। অসমে প্ৰাৰম্ভিক বেটাৰ ৰাহুল হাজৰিকা (৯) আৰু নৈশ-প্ৰহৰী সিদ্ধাৰ্থ শৰ্মাৰ (০) উইকেট হেৰুৱায়। দিনান্তত ঋষভ দাস ৫ আৰু সুমিত ঘাদিগাঁওকাৰে কোনো ৰান নকৰাকৈ অপৰাজিত হৈ আছে। দ্বিতীয় দিনৰ অন্তত ৪০৫ ৰানত পিছ পৰি বিপদত পৰিছে।

## ফাইনেলত ছাত্বিক-চিৰাগ

**কুৱালালামপুৰ, ১৩ জানুৱাৰীঃ** মালয়েছিয়ান অপেন ছুপাৰ ১০০০ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ফাইনেলত প্ৰৱেশ কৰি ইতিহাস ৰচনা কৰিছে ভাৰতীয় যুটি ছাত্বিকচাইৰাজ ৰংকাৰেড্ডী আৰু চিৰাগ চেট্টীয়ে। বিশ্ব ৰেংকিঙৰ দ্বিতীয় স্থানত থকা যুটিটোৱে আজি অনুষ্ঠিত হোৱা ছেমিফাইনেলত দক্ষিণ কোৰিয়াৰ এম এইচ কাঙ আৰু এছ জে চিওক ২১-১৮ আৰু ২২-২০ ছেটত পৰাস্ত কৰে। কৰ্টত ছাত-চি হিচাপে পৰিচিত খেলুৱৈ দুজনৰ পূৰ্বে কোনো ভাৰতীয় যুটিয়ে মালয়েছিয়ান অপেনৰ ফাইনেলত প্ৰৱেশ কৰা নাছিল।



■ মেক্সিকোৰ টেমাস্কেলপেক অভয়াৰণ্যত এতিয়া আৰম্ভ হৈছে পখিলাৰ ৰাজত্ব

# অঘটন নহয়, পথৰ গাঁতে ঘূৰাই দিলে জীৱন

**অনলাইন ফিচাৰ্ছ, ১৩ জানুৱাৰীঃ** পথৰ গাঁতে অঘটন ঘটায়, পথৰ গাঁতে মৃত্যু নমাই। কিন্তু পথৰ গাঁতৰ বাবে এইবাৰ দুৰ্ঘটনা বা মৃত্যু নহয়, পথৰ ওপৰত সৃষ্ট গাঁতৰ বাবেই সম্ভৱ হৈ উছিল জীৱন। এনে এক ঘটনাই সংঘটিত হৈছে হাৰিয়ানাত। চিকিৎসকে মৃত বুলি ঘোষণা কৰাৰ পিছত এগৰাকী অশীতিপৰ বৃদ্ধৰ শৰীৰত জীৱনৰ সঞ্চাৰ কৰে পথৰ গাঁতে। দৰাচলতে যোৱা বুধবাৰে দৰ্শন সিং ব্ৰাৰ এগৰাকী ৮০ বছৰীয়া বৃদ্ধক মৃত বুলি ঘোষণা কৰে এখন হাস্পতালৰ চিকিৎসক। তাৰ পিছতে পৰিয়ালটো শোকত ভাগি পৰে। মৃতদেহ হাস্পতালৰ পৰা ঘৰলৈ নিয়াৰ ব্যৱস্থাৰ সমান্তৰালভাৱে শেষ ৰীতি সম্পন্ন কৰাৰ কামত ব্যস্ত হৈ পৰে শোকসন্তপ্ত পৰিয়াল। কিন্তু এম্বুলেন্সযোগে বৃদ্ধৰ নশ্বৰ দেহ পাটিয়ালাৰ পৰা কৰ্ণাললৈ নি থকাৰ সময়তে যেন সংঘটিত হয় এক অলৌকিক ঘটনা। পথৰ ওপৰত থকা গাঁতত এম্বুলেন্সৰ চকা সমোৱাৰ ফলত হোৱা ঠেকেচাত পুনৰ জী উঠে 'মৃত' দৰ্শন সিং ব্ৰাৰ। এম্বুলেন্সত সেই সময়ত বৃদ্ধৰ নাতিয়ে ককাকৰ হৃদস্পন্দন অনুভৱ কৰি লগে লগে নিকটৱৰ্তী হাস্পতালত ভৰ্তি কৰোৱায়। বৰ্তমান হাস্পতালত ভৰ্তি হৈ থকা বৃদ্ধগৰাকীৰ চিকিৎসা চলাই আছে চিকিৎসকে। অৱশ্যে তেওঁৰ স্বাস্থ্য এতিয়াও সংকটজনক বুলিয়েই জানিব পৰা গৈছে। কিন্তু মৃত্যুৰ দুৱাৰদলিৰ পৰা ঘূৰি অহা দৰ্শন সিং ব্ৰাৰ পৰিয়ালে তেওঁক ওভতাই পাই আনন্দ ব্যক্ত কৰিছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান